# অসম আদিত্য

RNI REGN. No
epaper.
Portal : ww
e-mail : aso

■ ২৪ মাঘ, ১৯৪৭ শক ■ শনিবাৰ, ৭ ফেব্ৰুৱাৰী, ২০২৬ ■ Asom Aditya, Dibrugarh, Saturday, February 7, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশি


ভাব
হলে
ৰয়াৰ
গান্ধী

নৰসিংহ পাত
হিউম'বাইন অ
পুষ্টিকৰ উপাদা
শৰীৰৰ পৰা বি

### কানৈ মহাবিদ্যালয়ৰ দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰত ড° মুকুট গোহাঁই

## অসমীয়া জাতিসত্তাক জীয়াই ৰাখিবলৈ সুধাকণ্ঠৰ কৰ্মৰাজি অধ্যয়নৰ সুস্থ বাতাৱৰণ সৃষ্টি কৰিব লাগিব



**ষ্টাফ ৰিপৰ্টাৰ, ৬ ফেব্ৰুৱাৰী ঃ** নৱপ্ৰজন্মই ড০ ভূপেন হাজৰিকাৰ আদৰ্শক আগুৱাই নিয়া উচিত। অসমীয়া জাতিসত্তাক জীয়াই ৰাখিবলৈ ড০ ভূপেন হাজৰিকাৰ কৰ্মৰাজিৰ অধ্যয়ন আৰু চৰ্চাৰ এক সুস্থ বাতাৱৰণ সৃষ্টি কৰিব লাগিব। ভাৰতৰত্ন, সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সঙ্গতি ৰাখি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অসমীয়া বিভাগৰ উদ্যোগত, মহাবিদ্যালয়খনৰ অভ্যন্তৰীণ মাণ নিৰ্ণায়ক কোষ, বাংলা বিভাগ, হিন্দী বিভাগ আৰু সংস্কৃত বিভাগৰ সহযোগত 'ড০ ভূপেন হাজৰিকা ঃ অসমীয়া জাতীয়তাবাদ আৰু বৃহত্তৰ মানৱতা' শীৰ্ষক দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰৰ প্ৰথম দিনাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অনলাইন মাধ্যমত সংযুক্ত হোৱা দক্ষিণ আফ্ৰিকাস্থিত বিশিষ্ট বিজ্ঞানী ড০ মুকুট গোহাঁয়ে আজি এইদৰে কয়। ড০ গোহাঁয়ে কয়— ড০ ভূপেন হাজৰিকাৰ গীতত মানৱতাবোধ, জাতীয়তাবোধ আৰু সমাজ সচেতনতাৰ দিশ প্ৰকাশ হোৱা দেখা যায়। অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে কয়— ড০ ভূপেন হাজৰিকা মাথোঁ কেৱল এজন ব্যক্তি নাছিল, তেওঁ আছিল এটা যুগ, এটা যাত্ৰা, এখন সমাজ, এখন পৃথিৱী আৰু মানৱ জাতিৰ এক স্পন্দন স্বৰূপ। তেওঁ কয়— ড০ ভূপেন হাজৰিকাই কেতিয়াও জাতীয়তাবাদৰ নামত সংকীৰ্ণতাক প্ৰশ্ৰয় দিয়া নাছিল। লুইতৰ পাৰৰ পৰা ভল্গা, মিছিছিপিৰ পাৰৰ মানুহৰ দুখ-দুৰ্দশালৈকে তেওঁৰ মানৱতা ব্যাপ্তি আছিল। অধ্যক্ষগৰাকীয়ে কয়— ড০ ভূপেন হাজৰিকাৰ বাবে জাতীয়তাবাদ মানে কেৱল এক ভৌগোলিক পৰিসীমাৰ ভিতৰত আবদ্ধ নহয়, বৰঞ্চ ই আছিল সমগ্ৰ বিশ্বৰ মানৱ সমাজৰ বাবে এক সংস্কৃতিৰ সমন্বয়, মানৱতাৰ সমন্বয়। অধ্যাপক ড০ মৃদুল শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত বীজ ভাষণ প্ৰদান কৰে দিল্লী বিশ্ববিদ্যালয়ৰ ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অধ্যাপিকা ড০ ৰত্নোত্তমা দাসে। ভাষণ প্ৰসংগত ড০ দাসে কয়— ড০ ভূপেন হাজৰিকাৰ গীতত ভাষাৰ কালিকা অত্যন্ত শক্তিশালী। তেওঁ কয়— ড০ ভূপেন হাজৰিকা উত্তৰ-পূৰ্বাঞ্চল তথা ভাৰতবৰ্ষক বিশ্বৰ দৰবাৰত সংযোগ কৰা এগৰাকী প্ৰতিভাধৰব্যক্তি। অনুষ্ঠানত উপস্থিত থাকি উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য ড০ গোপাল হাজৰিকাই। উদ্বোধনী ভাষণ প্ৰসংগত ড০ হাজৰিকাই কয়— ড০ ভূপেন হাজৰিকা এগৰাকী বহুমুখী প্ৰতিভাৰ শিল্পী আছিল। তেওঁৰ গীতত সমন্বয়ৰ চেতনা, মানৱতাবোধ, জাতীয়তাবোধ, অধিবাস্তৱবাদৰ ছবি, শ্ৰমৰ মৰ্যদা তথা শোষিত-নিষ্পেষিত জনতাৰ কণ্ঠস্বৰ আছিল। অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য জ্যোতিপ্ৰসাদ কানৈয়ে আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ 'সাৰাংশ পুথি' উন্মোচন কৰে। উল্লেখ্য যে অনুষ্ঠানৰ লগত সংগতি ৰাখি বিগত সময়ছোৱাত বিয়োগ হোৱা প্ৰয়াত জুবিন গাৰ্গকে প্ৰমুখ্য কৰি কেইবাগৰাকীও শিল্পী, সাহিত্যিকক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য অভিমন্যু বৰুৱা, উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলী, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা শিখামণি কোচ দেউৰী, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু গৱেষকে অংশগ্ৰহণ কৰে। আলোচনা-চক্ৰৰ সমান্তৰালভাৱে গ্ৰামোফ'ন ৰেকৰ্ডৰ সংগ্ৰাহক উমানন্দ দুৱৰাৰ ড০ ভূপেন হাজৰিকাৰ গীতৰ বহু বহু গ্ৰামোফ'নৰ পুৰণি ৰেকৰ্ডৰ প্ৰদৰ্শনীও প্ৰদৰ্শিত হয়। আলোচনা-চক্ৰৰ লগত সংগতি ৰাখি সন্ধিয়া ড০ ভূপেন হাজৰিকাৰ সংগীতৰ 'প্ৰতিধ্বনি শুনো' শীৰ্ষক এক বৰ্ণাঢ্য অনুষ্ঠানো অনুষ্ঠিত হয়। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড০ মনমী বৰুৱাই।